চালোঁনে তেওঁলোকে ৰাতিটোত কি পঢ়িলে, কি জানিলে বুলি?

ৰাতিপুৱা ন-দহমান বজাত কাৰ্যালয় বা নিজা নিজা কৰ্মস্থলীত উপনীত হৈ তাৰপৰা আমি ঘৰত এটা খবৰ লওঁ যে সন্তানসকল বিছনাৰপৰা উঠিল নে নাই? ক'ত উঠিব? টোপনিত লালকাল। আকৌ প্ৰায় দুই বজাত খবৰ লৈ জানিব পাৰিলোঁ যে বোপা বা মইনা এইমাত্ৰ উঠিছে। বৰ্তমান বাথৰুমত। কিছুসময়ৰ পাছত জানিব পাৰিলোঁ যে বোপা-মইনাহঁতে ব্ৰেকফাষ্ট অৰ্থাৎ ৰাতিপুৱাৰ আহাৰ খোৱাত ব্যস্ত। দুই বজাত যদি ৰাতিপুৱাৰ আহাৰ, তেন্তে দুপৰীয়াৰ আহাৰ মানে তেওঁলোকৰ ভাষাত 'লাঞ্চ' কেতিয়া? আমাৰ গৃহিণীসকলে (যিসকলে ঘৰৰপৰা চাকৰি-বাকৰি বা অন্যান্য কামত বাহিৰলৈ নগৈ কেৱল ঘৰ-সংসাৰ চলায়) নৱপ্ৰজন্মৰ সন্তানসকলৰ আলপৈচান ধৰি যিয়ে যি খাই ভাল পায় তেনেকুৱা খাদ্য, যেনে—চাও, মেগি, পোলাও, বিৰিয়ানি, পাষ্টা, অমলেট আদি যোগান ধৰে। নতুন প্ৰজন্মই আজিকালি লাডু-পিঠা, সান্দহ, চিৰা-মুৰি তেওঁলোকৰ খাদ্যবস্তুৰ তালিকা নহয় বুলি ভাল নাপাই বৰ্জন কৰে। 'এনেয়ে বুঢ়ী নাচনী, তাতে নাতিনীয়েকৰ বিয়া।' আমাৰ গৃহিণীসকলে আধুনিকতাৰ পৰশ লাগি আধুনিক হৈ নতুন প্ৰজন্মৰ সন্তান-সন্ততিৰ লগত সুৰ মিলাই নিজে যি পাৰে এনেধৰণৰ খাদ্য সম্ভাৰ ঘৰতে প্ৰস্তুত কৰে আৰু নোৱাৰিলে কোনোবা ৰেস্তোৰাঁ বা হোটেললৈ ফোন কৰি আজিকালিৰ ছুইগি-জমেট' আদি অনলাইন ব্যৱস্থাৰে অৰ্ডাৰ দি আনি সন্তানক দিয়াৰ লগতে নিজেও আধুনিক খাদ্যৰ সোৱাদ লয়। সন্তানসকল সুপথে পৰিচালিত হওক আৰু আজিৰ প্ৰতিযোগিতামূলক সমাজ ব্যৱস্থাত নিজকে সাজু কৰি তোলক এই আশাৰে ঘৰৰ গিৰিহঁতে সুবিধা পালেই সন্তানসকলক নানা উপদেশ দিয়ে যদিও সন্তানসকল এই কাৰ্যত ক্ষুণ্ণ হয়। এইটো নকৰিবি, অমুকলৈ নাযাবি, এইটো নাখাবি, মিতব্যয়ী হ'বি, চৰিত্ৰৱান হ'বি, শাৰীৰিক ব্যায়াম কৰিবি, লোকৰ লগত ভাল ব্যৱহাৰ কৰিবি ইত্যাদি উপদেশ দি থকাৰ ফলত সন্তানসকল ওচৰ নচপা হয় আৰু একেবোৰ কথা কিমান শুনিব বুলি ভেকাহি মাৰি কিবা কাম থকাৰ অজুহাত দেখুৱাই ঘৰৰপৰা ওলাই যায়। নৈতিকতা আৰু মানৱীয়তাৰ সকলো দিশৰ প্ৰতি লক্ষ্য ৰাখি নিজৰ নিজৰ পঢ়াশুনা বা অন্যান্য কৰণীয় কামবোৰ নিভাঁজভাৱে কৰি নিজৰ লগতে দেশৰ নাম উজ্জ্বল কৰি গৈ আছে—এনেকুৱা ল'ৰা-ছোৱালীও অৱশ্যে আমাৰ সমাজখনত হাজাৰ-বিজাৰ আছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষাবোৰত উত্তীৰ্ণ হৈ ভাল ভাল চাকৰি কৰা, ব্যৱসায়-বাণিজ্য, খেলাধূলা, সংস্কৃতিৰ দিশত তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বিভিন্ন দিশত সফলতা অৰ্জন কৰা ল'ৰা-

◆◆

***আমি পৰম্পৰাগত সমাজ ব্যৱস্থা তথা ৰীতি-নীতিক অক্ষুণ্ণ ৰাখিবলৈও নৱপ্ৰজন্মক শিক্ষা দিওঁ আহক। কেৱল বিদেশৰ শিক্ষানীতি, প্ৰযুক্তিবিদ্যাৰ কৌশল আয়ত্ত কৰি, ভাটৌ চৰাইৰ দৰে নকল কৰা পদ্ধতিত আবদ্ধ নাথাকি ভাৰতীয় সংস্কৃতি, নৈতিক শিক্ষা, শাৰীৰিক আৰু মানসিক চিন্তাৰ প্ৰসাৰণ ঘটাই নৱপ্ৰজন্মক একো একোগৰাকী নিষ্ঠাৱান ভাৰতীয় নাগৰিকৰূপে গঢ়ি তোলাৰ লগতে আমাৰ দেশখনক দোপতদোপে আগুৱাই নিয়াৰ পথ দেখুৱাওঁ আহক।***

◆◆◆

ছোৱালী আমাৰ দেশতে প্ৰতিবছৰে হাজাৰ হাজাৰজন ওলাই আছে। সমাজনীতি, অৰ্থনীতি, ৰাজনীতি, শিক্ষানীতি আদি দিশতো ক্ৰমে নিজৰ নিজৰ পাৰদৰ্শিতা আৰু বুদ্ধিমত্তাৰে মাক-দেউতাকৰ নাম গৌৰৱোজ্জ্বল কৰি আছে।

কিন্তু তেতিয়া আমি দুঃখিত হওঁ, যেতিয়া পিতৃ-মাতৃ তথা অভিভাৱকৰ অসাৱধানতা, সন্তানৰ প্ৰতি অত্যধিক মোহ আৰু মৰমৰ কাৰণে দৰকাৰতকৈ তেওঁলোকক অধিক স্বাধীনতা দিয়াৰ লগতে অপৰিসীম ধন-দৌলত দিবলৈ চেষ্টা কৰাৰ ফলত সন্তান বিপথে পৰিচালিত হয় নতুবা জীৱন যুঁজৰ প্ৰকৃত সন্ধান উলিয়াব নোৱাৰি যৌৱনকালৰ সন্ধিক্ষণত অবাটে পৰিভ্ৰমণ কৰি কিছুমানে ধোঁৱা-কোৱা দেখে আৰু শেষত উপায়বিহীন হৈ নিজকে বেয়া মানুহৰ শ্ৰেণীভুক্ত কৰে। তেওঁলোকে সমাজবিৰোধী তথা নীতিবিৰোধী কাৰ্যতো লিপ্ত হৈ বংশ-মৰ্যাদা লাঘৱ কৰা দেখা যায়। আন এচামে জীৱন যুঁজত বিফলতাৰ মুখ দেখি আৰু সমসাময়িক পৰিৱেশৰ ওচৰত হাৰ মানি প্ৰতিকূল পৰিৱেশত অকালতে জীৱন নাটৰ সামৰণি মৰাও দেখা যায়। ফলত আজি আমাৰ দেশত নৱপ্ৰজন্মৰ মাজৰপৰা বহুতো আত্মহনন কৰাৰ খবৰ ওলোৱা পৰিলক্ষিত হয়।

মহাপুৰুষ মাধৱদেৱৰ এটি বৰগীতত আছে—"অথিৰ ধন-জন, জীৱন যৌৱন, অথিৰ এহু সংসাৰ। পুত্ৰ-পৰিবাৰ সবহি অসাৰ, কৰবো কাহেৰি সাৰ।" অৰ্থাৎ এই সংসাৰৰ ধন-জন, পুত্ৰ-পৰিবাৰ সকলো অনিত্য-অসাৰ। তথাপি এটা কথা ঠিক যে আমি যিহেতু কলিযুগৰ সাধাৰণ নৰ-মনিচ, সেয়ে আমি আজি সকলোৰে বিষয়ত আসক্ত হ'বলৈ একপ্ৰকাৰ বাধ্য। পুত্ৰ-পৰিবাৰ, ধন-জন, সংসাৰ বাদ দি আমি পৰম ব্ৰহ্মৰ ওচৰত বিলীন হৈ যাব নোৱাৰোঁ। বস্তুবাদী আৰু যান্ত্ৰিক জগতৰ লগত যিহেতু আমাৰ জীৱন যুঁজ সংপৃক্ত হৈ আছে, সেয়ে আমি এই সংসাৰৰ মায়া এৰি নিদিয়াকৈও নেদেখাজনক স্মৰণ কৰি, তুতি-নতি কৰি আৰু অধৰ্ম, পাপ তথা বিনাশৰ ৰাস্তা পৰিহাৰ কৰি আমি জীয়াই থাকিব পাৰোঁ। এই শিক্ষা নিজে লোৱাৰ লগতে আমাৰ সতি-সন্ততিসকলকো দিব পাৰোঁ। তাৰ বিপৰীতে দিনে-নিশাই ধন-দৌলত সংগ্ৰহৰ কামত নিয়োজিত হৈ, আনন্দ-উল্লাসত ব্ৰতী হৈ আৰু সন্তানসকলকো ধন-দৌলতৰ বোৱঁতী ধাৰাত এৰি দিলে তাৰ কুফল পোৱাটো অৱশ্যম্ভাৱী। যাৰ ফলস্বৰূপে বয়োজ্যেষ্ঠসকলে জীৱন্ত কালতে সন্তানৰ দুখত মানসিক অশান্তি পাব পাৰে।

সেয়ে আমি সকলোৰে সজাগ হওঁ আহক আৰু পৰিয়ালৰ সকলো সদস্যই আলাপ-আলোচনাৰ মাজেৰে এটা শুদ্ধ, নীতিগত আৰু মূল্যবোধৰ জীৱন প্ৰণালী ল'বৰ বাবে সন্তানসকলকো উদ্বুদ্ধ কৰোঁ আহক। তাৰ বাবে উজাগৰী নিশা কটোৱাৰো দৰকাৰ নাই। আমি পৰম্পৰাগত সমাজ ব্যৱস্থা তথা ৰীতি-নীতিক অক্ষুণ্ণ ৰাখিবলৈও নৱপ্ৰজন্মক শিক্ষা দিওঁ আহক। কেৱল বিদেশৰ শিক্ষানীতি, প্ৰযুক্তিবিদ্যাৰ কৌশল আয়ত্ত কৰি, ভাটৌ চৰাইৰ দৰে নকল কৰা পদ্ধতিত আবদ্ধ নাথাকি ভাৰতীয় সংস্কৃতি, নৈতিক শিক্ষা, শাৰীৰিক আৰু মানসিক চিন্তাৰ প্ৰসাৰণ ঘটাই নৱপ্ৰজন্মক একো একোগৰাকী নিষ্ঠাৱান ভাৰতীয় নাগৰিকৰূপে গঢ়ি তোলাৰ লগতে আমাৰ দেশখনক দোপতদোপে আগুৱাই নিয়াৰ পথ দেখুৱাওঁ আহক।

ঠিকনা ঃ উপ-আৰক্ষী অধীক্ষক, অসম আৰক্ষী, ফোন ঃ ৯৪৩৫৩০৩১৬৫

বাস্তৱ অভিজ্ঞতাৰ মননশীল ৰূপায়ণেৰে

**মিনতি চৌধুৰীৰ**

নিৰ্বাচিত গল্প সংকলন

**সাৰ পোৱাৰ পিছত আৰু অন্যান্য**

মূল্য ঃ ৩৫০ টকা

এই কিতাপখন ঘৰতে পাবলৈ হ'লে নাম ঠিকনাৰে সৈতে 9864043223 নম্বৰত WhatsApp কৰক।

**পূৰ্বাঞ্চল প্ৰকাশ**

ঘৰ নং-২, সেউজী পথ, ড° বি. এন. শইকীয়া পথ, ৰাৱাৰলেছ, গুৱাহাটী-৬